# অসম জাতীয় বিদ্যালয়

তাৰিখ : ১৭/১১/২০১৬

## নুনমাটি, গুৱাহাটী ৭৮১০২০

---

# অসম জাতীয় বিদ্যালয়ত ‘দিক্‌বলন’ অনুষ্ঠান

নুনমাটি, গুৱাহাটী ১৭ নৱেম্বৰ : নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত ১৬ নৱেম্বৰত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ‘দিক্‌বলন’ কাৰ্যসূচীৰ এক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠান পুৱা ৯ বজাৰ লগে লগেই আৰম্ভ হয়। শুভাৰম্ভ কৰে অধ্যক্ষ ঘনশ্যাম মেধিয়ে। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই ‘দেশৰ বৰ্তমান মুদ্ৰানীতি’ সম্পৰ্কত এক তাৎপৰ্যপূৰ্ণ আলোচনা আগবঢ়ায়। ইয়াৰ পিছতে অনুষ্ঠানৰ সমল ব্যক্তিৰূপে আমন্ত্ৰিত কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰমেশ পাঠকে “অসমীয়া ভাষাত সততে ভুল হৈ থকা শব্দ আৰু ব্যাকৰণ সম্পৰ্কীয়” এক বিশ্লেষণাত্মক আলোচনা আগবঢ়ায়। তদুপৰি এই অনুষ্ঠানতে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ৰঘুনাথ কুমাৰে ‘আখৰৰ পৰিপাট্য’ সম্পৰ্কে তেওঁৰ নিজৰ মত আগবঢ়ায়। অনুষ্ঠানত উপস্থিত থাকে পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, উপাধ্যক্ষদ্বয় উদয়া ফুকন, ধ্ৰুৱ শৰ্মা আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল । অনুষ্ঠাত শলাগৰ শৰাই আগবঢ়ায় উপাধ্যক্ষ ধ্ৰুৱ শৰ্মাই।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়